Women's Cell
North Gauhati College
Guwahati-31, Estd. 2002.
☎ 0361-2690037 (O)
E-mail:

NGC

মহিলা কোষ
উত্তৰ গুৱাহাটী মহাবিদ্যালয়
গুৱাহাটী-৩১, স্থাপিত:২০০২ চন।
☎ ০৩৬১-২৬৯০০৩৭ (কাৰ্যালয়)

No. ...................

Date : ৩১/০৫/২০২৩

## "বিশ্ব ধঁপাত বিৰোধী দিৱস, ২০২৩"

"বিশ্ব ধঁপাত বিৰোধী দিৱস" উপলক্ষে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগত তথা আভ্যন্তৰীণ গুণগত মানদণ্ড নিৰূপন কোষ উ: গু: ম: আৰু প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়, উত্তৰ গুৱাহাটী শাখাৰ সহযোগত উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত "নিচামুক্ত ভাৰত" শীৰ্ষক এখনি কৰ্মশালা অনুষ্ঠিত হয়।কৰ্মশালা খনিত সভাপতিত্ব কৰে মহিলাকোষৰ সভাপতি সহযোগী অধ্যাপক শ্ৰীযুত অনুপম ঠাকুৰীয়াই । উক্ত কৰ্মশালা খনিত উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী, ছাত্ৰ ছাত্ৰী আৰু উত্তৰ গুৱাহাটী অঞ্চলৰ মহিলা গোটৰ কেইবাগৰাকী সদস্যাইও অংশগ্ৰহণ কৰে। কৰ্মশালা খনিৰ আৰম্ভণিতে মহিলা কোষৰ সম্পাদিকা সহকাৰী অধ্যাপিকা শিখা ৰাণী কাকতিয়ে ধঁপাত বিৰোধী দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰি কয় যে বৰ্তমান বিশ্বৰ ভিতৰতে ধঁপাত সেৱনকাৰী দেশ হিচাপে ভাৰতবৰ্ষৰ স্থান দ্বিতীয় । নিচাযুক্ত দ্ৰব্য সেৱনে বৰ্তমান সময়ত এক ভয়াবহতাৰ সৃষ্টি কৰা বুলিও তেখেতে উল্লেখ কৰে ।

সভাৰ আৰম্ভনিতে মহাবিদ্যালয় প্ৰতিষ্ঠা কালৰ প্ৰাক্তন অধ্যক্ষ প্ৰয়াত মনিন্দ্ৰ বৰুৱাদেৱৰ প্ৰতি তেখেতৰ আদ্য শ্ৰাদ্ধৰ দিনটোতে স্মৰণ কৰা হয়।

তাৰপিছতে প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয় , উত্তৰ গুৱাহাটী শাখাৰ সঞ্চালিকা শ্ৰীযুতা জুলি বেহেলে তেওঁৰ ভাষণ প্ৰদান কৰে । জ্ঞান, যোগা, সেৱা আৰু ধ্যানৰ শিক্ষণত তেওঁ গুৰুত্ব দিয়াৰ কথা কয়। ইয়াৰ পিছতে নুমলীগড় শোধনাগাৰৰ অৱসৰ প্ৰাপ্ত কৰ্মচাৰী, প্ৰজাপিতা ব্ৰহ্মকুমাৰীৰ একান্ত সেৱক শ্ৰীযুত প্ৰণৱ কুমাৰ খাউণ্ডে মূল বক্তা হিচাপে অংশগ্ৰহণ কৰে । আৰম্ভণিত তেখেতে কিয় ধঁপাত বিৰোধী দিৱস পালন কৰিবলগীয়া হল তাৰ ব্যাখ্যা আগবঢ়ায় । লগতে কয় যে নিজৰ মনটোক নিয়ন্ত্ৰণ কৰিব পাৰিলেই যে ধঁপাত সেৱনৰ পৰা মুক্ত হব পাৰি আৰু ধঁপাত নিয়ন্ত্ৰণৰ বাবে আনৰ সহায়ৰ আৱশ্যক নাই, সেই বিষয়েও ছাত্ৰ ছাত্ৰীক উদ্দেশ্য কৰি মন্তব্য আগবঢ়ায়।

শ্ৰীযুত জিতেন্দ্ৰ ঠাকুৰ ভাইয়ে দৃশ্য- শ্ৰব্য মাধ্যমৰ সহায়ত ধঁপাত সেৱনৰ পৰিণতি সকলোৰে আগত দাঙি ধৰে। প্ৰতি বছৰে ধঁপাত সেৱনৰ ফলত ন লাখ মানুহৰ মৃত্যু হোৱা কথাও তেওঁ ছাত্ৰ ছাত্ৰীক অৱগত কৰায়। খাদ্য-অভ্যাস, ব্যায়াম আদিৰ দ্বাৰা এই অভ্যাস নিৰ্মূল কৰাৰ উপৰিও ৰাজযোগ ব্যায়মে কিদৰে মানসিক প্ৰশস্তি দিব পাৰে সেই সম্পৰ্কে মত বিশ্লেষণ কৰে। আন এজন ভাই শ্ৰীযুত দীপক কুমাৰে সমাজখনক নিচামুক্ত কৰিবলৈ তথা ধঁপাত সেৱনৰ পৰা আঁতৰি থাকিবলৈ শপত বাক্য পাঠ কৰোৱায়। আই.আই.টি. কেন্দ্ৰীয় বিদ্যালয়ৰ শিক্ষয়িত্ৰী শ্ৰীযুতা সংগীতা গগৈয়ে, ব্যায়ামৰ এক প্ৰশিক্ষণো আগবঢ়ায়। ইয়াৰোপৰি প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়, উ: গু: শাখাৰ এটি দলে এখন সজাগতা মূলক ধঁপাত বিৰোধী চুটি নাটকো প্ৰদৰ্শন কৰে।

সদৌ শেষত মহিলা কোষৰ সদস্যা শ্ৰীযুতা ড০ বনিমা তালুকদাৰে সকলোকে কৃতজ্ঞতা জনাই শলাগৰ শৰাই আগবঢ়ায় ।

সভাপতি

President
Women's Cell
North Gauhati College

সম্পাদিকা

Secretary
Women's Cell
N.C College, Ghy-31